**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-09-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যত মহিলা সৱলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় মুকলি কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিছপুৰ জনতা ভৱনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি মুকলি কৰি কয় যে, ৰাজ্যৰ ৩৭ লাখ পৰিয়ালে প্ৰতিমাহে এহেজাৰ ২৫০ টকাকৈ সাহায্য লাভ কৰাটো নিশ্চিত কৰিবলৈ ১২৬টা বিধানসভা সমষ্টিৰ মহিলাসকলৰ সৈতে আজি এই যাত্ৰা আৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰীয়ে অহা কেইসপ্তাহমানৰ ভিতৰতে এই অভিলাষী আঁচনিৰ অধীনত ১২ লাখ হিতাধিকাৰীৰ নাম সন্নিবিষ্ট কৰা হ'ব বুলি উল্লেখ কৰে। এই আঁচনিৰ বাবে বিধৱা, ৪৫ বছৰ বয়সৰ ঊৰ্ধৰ অবিবাহিতা, বিবাহ বিচ্ছেদিত আৰু অকলশৰীয়া মহিলাৰ লগতে তৃতীয় লিংগ, দিব্যাংগ, চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বয়োজ্যেষ্ঠ বা ৰুগীয়া মহিলা, আশ্ৰয়হীন পৰিয়ালৰ মহিলা, মগনীয়া, অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰী, বাৰ্ষিক উপাৰ্জন ২ লাখ টকাতকৈ কম হোৱা পৰিয়ালৰ মহিলা, এইছ আই ভি, থেলাছেমিয়া আদিত আক্ৰান্ত ৰোগী থকা পৰিয়ালৰ মহিলা আৰু পৰিয়ালৰ উপাৰ্জনক্ষম ব্যক্তিগৰাকী ৬০ বছৰ ঊৰ্ধৰ অথবা দিব্যাংগ হ'লে তেনে ঘৰৰ মহিলাই আবেদন কৰিব পাৰিব।

ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিধায়ক নজৰুল ইছলাম উপস্থিত থাকে।

তিনিচুকীয়াৰ মানৱ কল্যাণ ভৱনত অনুষ্ঠিত অনুষ্ঠানত ৰাজ্যৰ শ্ৰম আৰু চাহ শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে মুখ্য অতিথি হিচাপে উপস্থিত থাকি কয় যে, যিসকলে ইতিপূৰ্বে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিছে তেওঁলোকেও নতুনকৈ আবেদন দাখিল কৰিব লাগিব। কোনো যোগ্য লোক যাতে এই আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত নহয় এই কথা নিশ্চিত কৰিবৰ বাবে তেওঁ ৰাইজক আহ্বান জনায়।

চৰাইদেউ জিলাৰ জজলী পাঁচআলিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অৰুণোদয় আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী যোগেন মহনে এই আঁচনিয়ে ৰাজ্যৰ আৰ্থিকভাৱে পিছপৰা মহিলাসকলৰ সৱলীকৰণ আৰু আৰ্থিক স্বাৱলম্বিতা প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলি মন্তব্য কৰে।

বৰপেটা বিধানসভা সমষ্টিত বিধায়ক আব্দুৰ ৰহিম আহমেদৰ উপস্থিতিত অৰুণোদয় আঁচনি তৃতীয় পৰ্যায়ৰ আৰম্ভণি কৰা হয়।

তামুলপুৰত এই আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠানত বিধায়ক জলেন দৈমাৰীকে ধৰি জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, বিটিআৰৰ পাৰিষদ হেমন্ত কুমাৰ ৰাভা আদি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

জল সম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি জাগীৰোডত অৰুণোদয় আঁচনি তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ কৰে।

বাক্সা জিলাৰ শালবাৰীত আজি ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতিত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি মুকলি কৰা হয়।

শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত মন্ত্ৰী অশোক সিংঘল, বৰছলাত বিধায়ক গণেশ কুমাৰ লিম্বু, তেজপুৰত বিধায়ক পৃথ্বীৰাজ ৰাভা, ৰঙাপৰাত বিধায়ক কৃষ্ণ কমল তাঁতী আৰু ন-দুৱাৰত বিধায়ক পদ্ম হাজৰিকাই অৰুণোদয় আঁচনিৰ আৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰে।

অৰুণোদয় আঁচনিৰ আনুষ্ঠানিক উদ্বোধনৰ লগত সংগতি ৰাখি আজি যোৰহাট জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিতে সভা আয়োজন কৰা হয়।

চিৰাং জিলাৰ কাজলগাঁও সামূহিক গৃহত আজি অৰুণোদয় আঁচনিৰ উদ্বোধনী অনুষ্ঠানত কোকৰাঝাৰ লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰী উপস্থিত থাকে। ইপিনে বিটিআৰ প্ৰধান প্ৰমোদ

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ মুকলি মঞ্চত বিধানসভা পৰ্যায়ত অনুষ্ঠিত অৰুণোদয় আঁচনিৰ উদ্বোধনী অনুষ্ঠানত বিধায়ক ভূৱন গামে অংশ লয়।

এফালে ৰাজ্যত আজিৰে পৰা পুনৰ ১৯ লাখতকৈও অধিক লোকক ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানৰ উদ্বোধন কৰে। এই উপলক্ষে পাঠশালাত আয়োজিত অনুষ্ঠানত আজি খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আনুষ্ঠানিকভাৱে হিতাধিকাৰীসকলক প্ৰদান কৰে। বিভাগীয় মন্ত্ৰীগৰাকীয়ে ৰেচন কাৰ্ড প্ৰদানৰ সমগ্ৰ ব্যৱস্থাটোত আলোকপাত কৰি কয় যে, ৫৫ লাখতকৈ অধিক ভুৱা ৰেচন কাৰ্ড বাতিল কৰাটো হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ উল্লেখনীয় সফলতা। বিগত সময়ত ৪২ লাখতকৈও অধিক প্ৰকৃত হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী দাসে কয় যে, পৰৱৰ্তী কেবিনেটত ১৯ লাখ ৯২ হাজাৰ ১৬৭ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

নগাঁও জিলাৰ কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কুঁৱৰীটোলত মন্ত্ৰী কেশৱ মহন্তই স্থানীয় নতুন হিতাধিকাৰীসকলক ৰেচন কাৰ্ড প্ৰদানৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০

উত্তৰ কাছাৰ স্বায়ত্ত শাসিত পৰিষদে আজি পৰিষদৰ অধীনৰ বিভিন্ন বিভাগত নিযুক্তি লাভ কৰা ৮৭৪ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰে। পৰিষদৰ এই পদক্ষেপ ৰাজহুৱা সেৱা প্ৰদান ব্যৱস্থা ত্বৰান্বিত কৰাৰ লগতে স্থানীয় পৰ্যায়ত উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। এই অনুষ্ঠানতে নাৰ্চাৰী আৰু প্ৰথম শ্ৰেণীৰ বাবে পৰিষদে ডিমাচা মাধ্যমৰ পাঠ্যপুথি বিতৰণৰ শুভাৰম্ভ কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ অধীনত স্থানীয় ভাষাত শিক্ষাদানৰ উৎসাহিত কৰাৰ বাবে দিয়া পৰামৰ্শ অনুসৰি এই পদক্ষেপ লোৱা হৈছে। আজিৰ অনুষ্ঠানত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা, অধ্যক্ষ মোহিত হোজাইৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাপ্ত